প্ৰেছ বাৰ্তা নং ঃ ১৩২/২০২২

# মিছন বসুন্ধৰাৰ পৰ্যায় -১ ৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## মিছন বসুন্ধৰাৰ সৈতে জড়িত সকলোৰে প্ৰচেষ্টা আৰু উৎসৰ্গিত মনোভাৱৰ বাবে প্ৰশংসা মুখ্যমন্ত্ৰীৰ

## অহা ২ অক্টোবৰত মিছন বসুন্ধৰা ২.০ ৰ শুভাৰম্ভ

**দিছপুৰ, ৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত ভূমি সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে অসম চৰকাৰে আৰম্ভ কৰা প্ৰথম পৰ্যায়ৰ মিছন বসুন্ধৰা আঁচনিৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিখনত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সকলো ব্যক্তিকে ধন্যবাদ জ্ঞাপন কৰে। যোৱা বছৰ ২ অক্টোবৰত শুভাৰম্ভ কৰা এই আঁচনিখনৰ সফলতাৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিৰে অৰিহণাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি তেখেতে অতি কম দিনৰ ভিতৰতে এনে সফলতা লাভৰ কৃতিত্ব ৰাজহুৱা সেৱা প্ৰদানৰ ক্ষেত্ৰত এক মাইলৰ খুটি হৈ ৰ'ব বুলি কয়।

আমোলাতান্ত্ৰিক জটিলতা আৰু ৰঙা ফিটাৰ মেৰপেচক আতঁৰাই কৰ্ম সংস্কৃতিৰ এক পৰিৱেশ গঢ়ি তুলিবলৈ উপস্থিত সকলোকে আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণক ৰাজহুৱা সেৱা ব্যৱস্থা উপলব্ধ কৰাবলৈ আমি ঐকান্তিক প্ৰচেষ্টাৰে কামত অগ্ৰসৰ হোৱা উচিত।

মুখ্যমন্ত্ৰীয়ে কয় যে মিছন বসুন্ধৰা শুভাৰম্ভ হোৱাৰ আগতে বিগত ১৮ টা বছৰে ভূমি সমস্যা সমাধানৰ বাবে তাতঁ বাটি কাৰি ফুৰা বাসন্তি দাস নামৰ উত্তৰ গুৱাহাটীৰ আৱেদন কাৰী গৰাকীৰ গোচৰ নিষ্পত্তিটোৱে হৈছে সৰ্বমুঠ নিষ্পত্তি হোৱা ৮,১৩,৯৮১ খন আৱেদনৰ ভিতৰত শেষৰটো নিষ্পত্তিৰ গোচৰ। আমি জানো যে ভূমি সম্পৰ্কীয় কিছুমান গোচৰ অত্যন্ত জটিল আৰু সেইবাবে এইটো পৰ্যায়ত সকলো আৱেদন নিষ্পত্তি কৰা হোৱা নাই। অহা কেইটামান মাহৰ

ভিতৰতে আমি মিছন বসুন্ধৰা প'ৰ্টেলত নিষ্পত্তি নোহোৱাকৈ থাকি যোৱা গোচৰসমূহ পুনৰ আপল'ড কৰিম আৰু সকলোবোৰ নহ'লেও ইয়াৰে কিছুমান গোচৰ কেনেদৰে নিষ্পত্তি কৰিব পাৰি তাৰ উপায় উলিয়াবৰ চেষ্টা কৰিম।

কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত ভূমিৰ আপত্তি বিহীন প্ৰমাণ পত্ৰ, পঞ্জীয়ন, নামজাৰি আৰু বটোৱাৰাৰ গোচৰ নিষ্পত্তিৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীয়ে আজি 'কম্প'জিট লেণ্ড ট্ৰেন্সফাৰ চাৰ্ভিচ'ৰ শুভাৰম্ভ কৰে। তেখেতে কয় যে এই সেৱা পৰৱৰ্তীসময় আন আন জিলাসমূহলৈও সম্প্ৰসাৰিত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ বিভিন্ন জিলা সামৰি সৰ্বমুঠ ১০৭৪ খন জৰীপ নোহোৱাকৈ থকা গাঁৱৰ বিতং জৰিপৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায় অহা ২ অক্টোবৰত শুভাৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে আৰু এই পৰ্যায়ক খিলঞ্জীয়া জনসাধাৰণৰ মাজত সীমাবদ্ধ ৰখা হ'ব। সন্দেহযুক্ত নাগৰিকৰ বসতি আৰু বেদখল ইয়াৰ আওতাৰ বাহিৰত থাকিব।

আজিৰ এই অনুষ্ঠানত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**আয়ন / হেঃশঃ**
**০৮/০৫/২০২২**